জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৩০/২০২২

# নৰ্থ ইষ্ট ফেষ্টিভেলৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিলে ৰাষ্ট্ৰপতি ৰাম নাথ কোৱিন্দে

## ৰাষ্ট্ৰীয় নীতি প্ৰণয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি প্ৰদৰ্শন কৰা গুৰুত্বক প্ৰশংসা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## আন্তঃৰাজ্যিক সীমা বিবাদৰ আশু সমাধানৰ আশা প্ৰকাশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৪ মে' ঃ** কেন্দ্ৰীয় চৰকাৰৰ ড'নাৰ মন্ত্ৰণালয়ে উত্তৰ পূব পৰিষদ আৰু অসম চৰকাৰৰ যৌথ সহযোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত 'আজাদী কা অমৃত মহোৎসৱ'ৰ সৈতে সংগতি ৰাখি যোৱা ২৮ এপ্ৰিলৰ পৰা অনুষ্ঠিত কৰা 'নৰ্থ ইষ্ট ফেষ্টিভেল'ৰ সামৰণি অনুষ্ঠানত আজি ৰাষ্ট্ৰপতি ৰাম নাথ কোৱিন্দে অংশগ্ৰহণ কৰে।

এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় নীতি প্ৰণয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি প্ৰদৰ্শন কৰা গুৰুত্বৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কেইটামান মাহৰ ভিতৰতে ৰাষ্ট্ৰপতি ৰাম নাথ কোৱিন্দৰ অসমলৈ দ্বিতীয়টো ভ্ৰমণে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিশেষ ভূমিকাক প্ৰতিফলিত কৰিছে।

দেশৰ স্বাধীনতা আন্দোলনত উত্তৰ পূৰ্বাঞ্চলৰ স্বাধীনতা সংগ্ৰামীসকলে প্ৰদৰ্শন কৰা সাহস আৰু বীৰত্বৰ কথা ৰোমন্থন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট স্বাধীনতা সংগ্ৰামী ক্ৰমে পিয়লি ফুকন, মণিৰাম দেৱান, শ্বহীদ কুশল কোঁৱৰ, কনকলতা বৰুৱা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননী, তিলেশ্বৰী বৰুৱা, অম্বিকাগিৰী ৰায়চৌধুৰী, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, পুষ্পলতা দাসৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ স্বাধীনতা সংগ্ৰামী বীৰ টিকেন্দ্ৰজিৎ সিং, ৰাণী গাইডিলু, পাওনা ব্ৰজবাসী, হাইপ' জাদ'নাং, ইউ টিৰট সিং প্ৰমুখ্যে

কেইগৰাকীও স্বাধীনতা সেনানীৰ কথা উল্লেখ কৰে।

উত্তৰ পূৰ্বাঞ্চলত সম্প্ৰতি বিৰাজমান শান্তিপূৰ্ণ পৰিৱেশৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ কেইবাখনো জিলাৰ লগতে অঞ্চলটোৰ আন প্ৰান্তৰ পৰা সেনাবাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

দেশৰ বিকশিত ৰাজ্যসমূহৰ সমানে বিকাশৰ যাত্ৰাত অসম তথা উত্তৰ পূৰ্বাঞ্চলে আগুৱাই যোৱাৰ দিশত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে যৌথ সহযোগিতাৰে লোৱা পদক্ষেপসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে আলোকপাত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰে'লৰে লাইন বৈদ্যুতিকৰণ, অসামৰিক বিমান পৰিবহনৰ ক্ষেত্ৰত ৰূপায়ণ কৰা উড়ান আঁচনি, ট্ৰাইলেটাৰেল এছিয়ান হাইৱেৰ দ্ৰুত ৰূপায়ণৰ লগতে কেন্দ্ৰীয় চৰকাৰে লোৱা উন্নয়নমুখী পদক্ষেপসমূহে উত্তৰ পূৰ্বাঞ্চলক দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ দুৱাৰমুখ হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ দিশত বিশেষ শক্তি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে আশা প্ৰকাশ কৰে যে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ আন্তঃৰাজ্যিক সীমা বিবাদ আলাপ-আলোচনাৰ মাধ্যমেদি শীঘ্ৰে মীমাংসা কৰা সম্ভৱ হৈ উঠিব।

এই অনুষ্ঠানত ৰাষ্ট্ৰপতি ৰাম নাথ কোৱিন্দৰ উপৰি অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জি কিষাণ ৰেড্ডী, কেন্দ্ৰীয় আইন মন্ত্ৰী কিৰেণ ৰিজিজুৱে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ফাৰ্ষ্ট লেডী সবিতা কোৱিন্দ, ড'নাৰ মন্ত্ৰণালয়ৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী বি এল বাৰ্মা, অৰুণাচল প্ৰদেশ আৰু মণিপুৰৰ ৰাজ্যপাল তথা অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, ত্ৰিপুৰা, ছিক্কিমৰ মুখ্যমন্ত্ৰীৰ লগতে উত্তৰ পূবৰ ৰাজ্যসমূহৰ কেইবাগৰাকীও মন্ত্ৰী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদ / বীঃগঃ**
**০৪/০৫/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in